# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

**--------------------**

১। রাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ আজি ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান।

২। ৰাজ্যত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ।

৩। কাইলৈ পুৱা ৮ বজাৰ পৰা ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগণনা।

৪। বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক গ্ৰেপ্তাৰ কৰাৰ সন্দৰ্ভত অসম চৰকাৰ আৰু আৰক্ষী সঞ্চালকপ্ৰধানলৈ মানৱাধিকাৰ আয়োগৰ জাননী জাৰি। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্ছ মুখামুখি।

০০০০০

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ  অসম বৈভৱ সন্মান আগবঢ়োৱা হয়। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এছ্ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পূৰবী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হয়।

একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২ গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠান কলিয়াবৰৰ চোৱেং এহেম, তিনিচুকীয়াৰ ইকো-ডেভেলপ ছ'চাইটী আৰু নগাঁৱৰ হাতীবন্ধুলৈ আজি অসম গৌৰৱ সন্মান আগবঢ়োৱা হয়।

০০০০০

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া  পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ অধিসূচনা অনুসৰি যোৰহাট জিলাৰ ১৬টা সমষ্টিত অহা ২ মে'ত ভোটগ্ৰহণ হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। নিৰ্বাচনৰ মনোনয়ন প্ৰ-পত্ৰসমূহ সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত উপলভ্য কৰা হৈছে। আয়ুক্ত জয় শিৱানীয়ে জিলাখনত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দল, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাইজৰ সহযোগিতা কামনা কৰে।

শিৱসাগৰ জিলাতো নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্তই আজি এখন সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে জিলাখনৰ ৫টা আঞ্চলিক পঞ্চায়ত, ১২ খন জিলা পৰিষদ ৮২টা গাঁও পঞ্চায়তৰ তথ্য সদৰি কৰে। এই সন্দৰ্ভত আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে এইদৰে কয়-

**বাইট (মুজাহিদ আলী)**

ধুবুৰী জিলাৰ আয়ুক্ত দিবাকৰ নাথে আজি পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আয়োজন কৰি জিলাখনৰ মুঠ ১২৮ খন গাঁও পঞ্চায়তৰ লগতে ২০ খন জিলা পৰিষদ আৰু ১০ খন আঞ্চলিক গাঁও পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে। এহেজাৰ ৪৬৫টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ'বলগীয়া জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ১০ লাখ ৪৩ হাজাৰ ১৯৩ জন বুলি তেওঁ জানিবলৈ দিয়ে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগ্ৰহী প্ৰাৰ্থীয়ে ধুবুৰী গ্ৰাম্য উন্নয়ন আঁচনিৰ কাৰ্যালয়, জিলা পৰিষদৰ কাৰ্যালয়, জিলা কৃষি বিষয়াৰ কাৰ্যালয়, বিলাসী সমজিলা কাৰ্যালয় আৰু গোলকগঞ্জ সমজিলা কাৰ্যালয়ৰ পৰা মনোনয়ন সংগ্ৰহ কৰিব পাৰিব বুলি তেওঁ কয়।

ooooo

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩টা সমষ্টিৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ কাইলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। গোৱালপাৰা আৰু আমিনগাঁৱত কাইলৈ ভোটগণনা কৰা হ'ব আৰু আবেলিৰ ভাগত ফলাফল ঘোষণা কৰা হ'ব। ভোটগ্ৰহণ হোৱা বেলট বাকচসমূহ বৰ্তমান জিলা আয়ুক্ত কাৰ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি কালি পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাত ৬৭ দশমিক ৫-৫ শতাংশ আৰু গোৱালপাৰা জিলাত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হয়।

পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ দৰিদুৰি সমষ্টিত সৰ্বাধিক ৮০ দশমিক ৩-৫ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। কামৰূপ জিলাৰ জৰিহাট সমষ্টিত সৰ্বনিম্ন ৫৭ দশমিক ৬-২ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

ooooo

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী ৰণনীতি যুগুত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। শাসকীয় দল বিজেপিৰ কেইবাজনো জ্যেষ্ঠ নেতা আজি গুৱাহাটীত এই সন্দৰ্ভত

এখন বৈঠকত মিলিত হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত আইন সংশোধনৰ জৰিয়তে পঞ্চায়তলৈ ক্ষমতা বিকেন্দ্ৰীকৰণ বিষয়ত আলোকপাত কৰা হয়। নিৰ্বাচনত বিজেপি আৰু অসম গণ পৰিষদৰ মাজত বুজাবুজি অব্যাহত ৰখাৰ বাবে প্ৰতিটো লোকসভা সমষ্টিত একোজনকৈ অগপ আৰু বিজেপি কাৰ্যকৰ্তাক দায়িত্ব দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

মন্ত্ৰী পীযূষ হাজৰিকা আজি বৰপেটা জিলাৰ ন-সত্ৰত উপস্থিত হৈ দলৰ স্থানীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁৰ লগত বিধায়ক দিগন্ত কলিতাকে ধৰি কেইবাজনো দলীয় নেতা উপস্থিত থাকে।

ooooo

ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে ৰাজ্যৰ এটা ডিজিটেল পৰ্টেল চেনেলৰ এগৰাকী সাংবাদিকক গুৱাহাটীস্থিত অসম ক' অপাৰেটিভ এপেক্স বেংক লিমিটেডত বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাক কেন্দ্ৰ কৰি আটক কৰা আৰু পাছত গ্ৰেপ্তাৰ কৰা ঘটনা সন্দৰ্ভত অসম চৰকাৰ আৰু ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানলৈ জাননী জাৰি কৰিছে। যোৱা ২৫ মাৰ্চত গুৱাহাটীৰ এই সাংবাদিকজনে বেংকটোত বিত্তীয় অনিয়ম সংঘটিত হোৱাৰ অভিযোগ সন্দৰ্ভত বেংক কৰ্তৃপক্ষক প্ৰশ্ন কৰাৰ পাছত তেওঁক আটক কৰা হৈছিল। অৱশ্যে সাংবাদিকগৰাকীয়ে জামিনত মুক্তি লাভ কৰিছিল। মানৱাধিকাৰ আয়োগে আজি জাৰি কৰা জাননী ৰাজ্য চৰকাৰ আৰু আৰক্ষী সঞ্চালকপ্ৰধানক চাৰি সপ্তাহৰ ভিতৰত ঘটনা সন্দৰ্ভত বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

ooooo

ৰাজ্যৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল অহা মাহত ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। কালি কাহিলিপাৰাৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ত মেধাৱী শিক্ষাৰ্থীক টেবলেট বিতৰণ অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। আৰোহণ আঁচনিৰ অধীনত শিক্ষাৰ্থীসকলক শৈক্ষিক কাম-কাজত সহায় কৰাৰ বাবে কালি টেবলেটসমূহ বিতৰণ কৰা হয়। এম ডি এম ছফ্‌টৱেৰৰ যোগেদি নিয়ন্ত্ৰিত হ'বলগীয়া এই টেবলেটসমূহত সামাজিক মাধ্যমৰ এপসমূহ বন্ধ কৰি ৰখা হৈছে। কালিৰ এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে ৰাজ্যৰ ২৫ হাজাৰ প্ৰাথমিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ কথাও উল্লেখ কৰে।

ooooo

জেংৰাইৰ কবি হিচাপে সুপৰিচিত বিশিষ্ট অসমীয়া সাহিত্যিক, প্ৰশাসনিক বিষয়া আৰু স্বাধীনতা সংগ্ৰামী, অজিত বৰুৱাৰ পুণ্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। কবিতাৰ লগতে গীত, উপন্যাস, সমালোচনা সাহিত্য, অনুবাদ, ৰম্য ৰচনাকে ধৰি কেইবাটাও শিতানত সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্য ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱা সাহিত্যিকগৰাকীৰ উচ্চ মানসম্পন্ন সৃষ্টিসমূহে পঢ়ুৱৈক আলোড়িত কৰে। চতুৰ্থ দশকতে কবিতাৰে সাহিত্যিক জীৱনৰ পাতনি মেলা বৰুৱাৰ কবিতাৰ সংখ্যা তাকৰ যদিও ব্ৰহ্মপুত্ৰ, চেনৰ পাৰত, জেংৰাই-১৯৬৩ কে ধৰি কবিতাসমূহে অসমীয়া কাব্যক্ষেত্ৰত তেওঁক সু-উচ্চ স্থানত অধিষ্ঠিত কৰি ৰাখিছে।

**-কবিতা-**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট সাহিত্যিক অজিত বৰুৱাৰ পুণ্য তিথিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি দিয়া এটা বাৰ্তাত কবিতাৰ মাজেৰে সমাজ আৰু মানৱতাৰ কথা কোৱা প্ৰসিদ্ধ কবিগৰাকী অসমৰ সাহিত্য আকাশৰ

উজ্জ্বল ভোটাতৰা বুলি অভিহিত কৰে।  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাহিত্যিক আৰু স্বাধীনতা সংগ্ৰামী বৰুৱাৰ পূণ্যতিথিত তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰি সাহিত্যিকগৰাকীৰ অৱদান অসমৰ প্ৰতিটো প্ৰজন্মৰ বাবে পাথেয় হৈ ৰ'ব বুলি উল্লেখ কৰে।

ooooo

অসম বিজ্ঞান সমিতিৰ ৫৫ সংখ্যক বাৰ্ষিক অধিৱেশন কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ঢকুৱাখনাত অনুষ্ঠিত হ'ব। কাইলৈ পতাকা উত্তোলনেৰে প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ কৰা হ'ব। স্মৃতি তৰ্পণ, বিজ্ঞান প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰাৰ পাছত বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি নবীন শিক্ষাবিদ ড° মনোজ কুমাৰ পাটোৱাৰীয়ে তিনিওটা দিনৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। দিনৰ ভাগত কৃত্ৰিম বুদ্ধিমত্তা আৰু ইয়াৰ ভৱিষ্যত শীৰ্ষক বিশেষ বক্তৃতানুষ্ঠানত বিশিষ্ট বিজ্ঞানী ড° ইফটাক হুছেইন সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। একেদৰে কৰ্কট ৰোগ সম্পৰ্কীয় সজাগতামূলক আলাপত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ড° প্ৰণয় ফুকনে অংশ ল'ব। বিয়লিৰ ভাগত জনপ্ৰিয় বক্তৃতানুষ্ঠান অন্তৰংগ আলাপ আৰু পৰিৱৰ্তিত কৃষি ব্যৱস্থা তথা জৈৱ বৈচিত্ৰ সংৰক্ষণ শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হ'ব। সন্ধিয়া কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। পৰহিলৈ স্বাস্থ্য সজাগতা অনুষ্ঠানৰ লগতে মুগা শিল্প সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। সেইদিনাই স্মাৰক গ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচন কৰা হ'ব। তৃতীয় দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে অন্তৰংগ আলাপ অনুষ্ঠানত বিশিষ্ট গৱেষক বিজ্ঞানী ড° অৰূপ কুমাৰ মিশ্ৰ আৰু ড° জয়দীপ বৰুৱা উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

ooooo

শিলচৰৰ ৰামনগৰ বাইপাছত আজি বিয়লি সংঘটিত এটা দুৰ্ঘটনাত দুজন ব্যক্তি নিহত হোৱাৰ লগতে চাৰিজন লোক গুৰুতৰভাৱে আহত হৈছে। ৰামনগৰৰ আই এছ বি টিৰ সমীপত মাটিভৰ্তি এখন ডাম্পাৰ আৰু যাত্ৰীবাহী অটোৰিক্সাৰ মুখামুখি সংঘৰ্ষৰ ফলত হোৱা এই দুৰ্ঘটনাত আফছানা বেগম নামৰ এগৰাকী মহিলা আৰু তেওঁৰ ৭ বছৰীয়া পুত্ৰৰ থিতাতে মৃত্যু হয়। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে অটোৰিক্সাখনৰ চালক আৰু আন তিনিজন যাত্ৰীৰ অৱস্থা গুৰুতৰ আৰু তেওঁলোকক উপযুক্ত চিকিৎসাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত ভৰ্তি কৰা হৈছে। ডাম্পাৰখনৰ চালক বৰ্তমান পলাতক অৱস্থাত আছে আৰু আৰক্ষীয়ে চালকজনক বিচাৰি অভিযান আৰম্ভ কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। কাইলৈ পুৱা মূল তোৰণ উন্মোচন, পতাকা উত্তোলন, ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণ আদি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অধিৱেশনতে পৰিষদৰ নতুন কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব। অধিৱেশনৰ অংশ হিচাপে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সমাহাৰেৰে শোভাযাত্ৰা উলিওৱা হ'ব।

ooooo

তামুলপুৰ জিলাৰ পথালিকুছিৰ মাইনাও পথাৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ সদৌ বাথৌ মহাসভাৰ ৩২ সংখ্যক বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। বাথৌ মহাসভাৰ তামুলপুৰ জিলাৰ আতিথ্যত আয়োজিত এই

অধিৱেশনৰ বাবে মাইনাও পথাৰত প্ৰস্তুতি সম্পূৰ্ণ হৈছে। এই সভাৰ মুকলি অধিৱেশনত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাসহ কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক তথা বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৫ এপ্ৰিল, শনিবাৰে নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আয়োজিত ১৪ বছৰ অনূৰ্ধ পুলিন দাস আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ গ্ৰুপ-এৰ আজি তৃতীয়খন খেল মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ আতিথ্যত আৰু ক্ৰিকেট উপ-সমিতিৰ তত্বাৱধানত অনুষ্ঠিত হৈছে। আজিৰ খেলত মৰিগাঁও জিলা ক্ৰীড়া সন্থাই তিতাবৰ জিলা ক্ৰীড়া সন্থাক ৪৯ ৰাণত পৰাস্ত কৰি মধ্য অসম মণ্ডলৰ গ্ৰুপ-এৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰাৰ লগতে মাণ্ডলিক ফাইনেলত প্ৰৱেশ কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাই প্ৰথমে বেট ধৰি ২৬ অভাৰত ৮৬ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত তিতাবৰে ২২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩৭ ৰাণহে কৰিবলৈ সক্ষম হয়।

০০০০০

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাসমূহ কালিৰেপৰা অনুষ্ঠিত হৈছে। কালি খেলৰ প্ৰথম দিনা সাঁতোৰত যোৰহাট জিলাৰ খেলুৱৈয়ে ১৫টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত ১৪ আৰু ১৭ বছৰ অনূৰ্ধৰ ৮টা শাখাৰ ভিতৰত ৫টাতে যোৰহাটৰ খেলুৱৈয়ে স্বৰ্ণ পদক জয় কৰাৰ লগতে ৮টা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে, শিৱসাগৰ জিলাই ২টা সোণ আৰু ৩টা ব্ৰঞ্জ, কামৰূপ মহানগৰ জিলাই এটা সোণ আৰু ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। সাঁতোৰৰ উপৰি কালি এথলেটিকছ, ফুটবল, কাবাডী আৰু দবাৰ প্ৰাথমিক পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হয়।

মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ ৰাজ্যিক স্তৰৰ এই প্ৰতিযোগিতা অহা ৬ এপ্ৰিলত সামৰণি পৰিব।

০০০০০

সমাপ্ত